(খ) ধেমেলীয়া নাটক বুলিলে কি বুজা? এই শ্ৰেণীৰ নাটকৰ বৈশিষ্ট্য বিচাৰ কৰি দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰী' নাটকখনত এনে বৈশিষ্ট্য কিমানখিনি বিদ্যমান, আলোচনা কৰা। ১০

*অথবা*

'মহৰী' নাটকৰ অন্তৰ্গত ভাবিৰাম আৰু আব্দুল ৰহমান চৰিত্ৰ দুটা বিশ্লেষণ কৰা।

(গ) " 'শৰাগুৰি চাপৰি' বুৰঞ্জীও নহয়, জীৱনীও নহয়, নাটকহে।" 'শৰাগুৰি চাপৰি' সম্পৰ্কে আগবঢ়োৱা নাট্যকাৰৰ এই মন্তব্যৰ যথাৰ্থতা বিচাৰ কৰা। ১০

*অথবা*

বুৰঞ্জীমূলক নাটক কাক বোলে? বুৰঞ্জীমূলক নাটক হিচাপে 'শৰাগুৰি চাপৰি' নাটকৰ এটি বিশ্লেষণ দাঙি ধৰা।

(ঘ) 'এজাক জোনাকীৰ জিলমিল' নাটিকাখনিত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

'এজাক জোনাকীৰ জিলমিল' নাটিকাখনিত তিনিজন সন্ত্ৰাসবাদীৰ চৰিত্ৰ কিদৰে ৰূপায়িত হৈছে, আলোচনা কৰা।

---





# 2022

## ASSAMESE

(Modern Indian Language)

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। পোনপটীয়া উত্তৰ দিয়া ঃ ১×১০=১০

(ক) 'কালিয় দমন' নাটৰ কালি নাগ চৰিত্ৰটি কিহৰ প্ৰতীক?

(খ) মহাপুৰুষ শংকৰদেৱৰ 'কালিয় দমন' নাটখন ৰচনা কৰাৰ প্ৰধান উদ্দেশ্য কি আছিল?

(গ) ভাবিৰামৰ মাকৰ নাম কি?

(ঘ) দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই ৰচনা কৰা এখন পৌৰাণিক নাটকৰ নাম লিখা।

(ঙ) লছমী কোন?

(চ) 'শৰাগুৰি চাপৰি' নাটকখন কোন চনত প্ৰথম মঞ্চস্থ হয়?

(ছ) মহেন্দ্ৰ বৰঠাকুৰে হাইস্কুলীয়া ছাত্ৰাবস্থাতে ৰচনা কৰা নাটকখনৰ নাম কি?

*Contd.*

(জ) ‘শৰাগুৰি চাপৰি’ নাটকৰ কাহিনীভাগৰ সমল নাট্যকাৰে ক’ৰ পৰা গ্ৰহণ কৰিছে?

(ঝ) ড° ভবেন্দ্ৰনাথ শইকীয়াই প্ৰথম ভ্ৰাম্যমাণ মঞ্চৰ বাবে ৰচনা কৰা নাটকখনৰ নাম কি?

(ঞ) ‘এজাক জোনাকীৰ জিলমিল’ নাটিকাখন কোন চনত ৰচনা কৰা হৈছিল?

২। চমু উত্তৰ দিয়া ঃ ২×৫=১০

(ক) ‘কালিয় দমন’ নাটৰ কাহিনীভাগৰ বৰ্ণনা ক’ত ক’ত পোৱা যায়?

(খ) “তোমাৰ বাপৰ দিনত কেতিয়াবা এনেকুৱা বাগিছা ডেকিছিলে? তুমি কোন নেবাবকে বেটা আছে?” কথাষাৰৰ বক্তাজন কোন? তেওঁ কাক এইদৰে কৈছিল?

(গ) “তই মৰম নকৰিলে নো কোনে কৰিব। আমাৰ খেতি-পথাৰ সকলোবোৰ তয়ে।” কোনে, কাক এইদৰে কৈছিল?

(ঘ) ৰূপাই দাধৰা কোন? তেওঁ আজান ফকিৰক কাৰ চোৰাংচোৱা বুলি স্বৰ্গদেউ ৰুদ্ৰসিংহক গোচৰ দিছিল?

(ঙ) “তোৰ এই মুখখনৰ কাৰণে কেতিয়াবা আমি মৰি যাম। শেষ মুহূৰ্তত আমাৰ নাও ডুবি যাব।” বক্তাজন কোন? তেওঁ কাক এইদৰে কৈছিল?



৩। চমুকৈ উত্তৰ দিয়া ঃ ৫×৪=২০

(ক) “হে মাতা, হে পিতা, হে গোপ-গোপীসৱ! আজু ৰাত্ৰি ব্ৰজ যাইতে পাৰয় নাহি! যব সবেহি ভল্ল দেখহ, তবে এথাতে ৰজনী বঞ্চহ।” ইয়াত কোনে, ক’ত, কেতিয়া আৰু কিয় ৰাতি বঞ্চাৰ কথা কৈছে, বুজাই লিখা।

(খ) “টোমাৰ বনী আছে? টাকিলে আনিব লাগে। মই কিজানি মৰম কৰিব ফাৰে।” কথাষাৰৰ বক্তাজন কোন? তেওঁ কাক, কি প্ৰসংগত এইদৰে কৈছিল, বুজাই লিখা।

(গ) “যি যুদ্ধই মানুহক বচাব পাৰে, আমি গোটেই জীৱন দি সেই যুদ্ধ কৰিছোঁ। মই চৰকাৰৰ শত্ৰু হ’ব পাৰোঁ, কিন্তু মালিনী মোৰ ছোৱালী। মই তাইক এবাৰ চাম।” বক্তাজনে কি প্ৰসংগত এনেদৰে কৈছে, বুজাই লিখা।

(ঘ) “ফকিৰে বহিবলৈ পাই শুবলৈ বিচাৰিছে, ভাত খাবলৈ পাই আঙুলি কামুৰিছে নেকি! এই ছোৱালীজনীক মন্ত্ৰীয়ে স্বৰ্গদেউৰ চ’ৰালৈ পঠিয়াব। ইয়াৰ আগতেও ফকিৰে অগাদেৱা কৰিলে। এতিয়া এইক ধৰি নিব লাগে।” কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰা।

৪। (ক) ‘কালিয় দমন’ নাটখনত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আৰু মানৱীয় দুয়োটা ৰূপ নাট্যকাৰে কেনেদৰে চিত্ৰিত কৰিছে, বুজাই লিখা। ১০

*অথবা*

“অংকীয়া নাটত বিভিন্ন ৰসৰ প্ৰকাশ হৈছে যদিও ভক্তি ৰসহে এই নাটৰ প্ৰধান বস্তু।” ‘কালিয় দমন’ নাটৰ আধাৰত এই উক্তিৰ বিচাৰ কৰা।